


মাজত মাথোঁ আৰু এসপ্তাহ। সমগ্ৰ বিশ্বজুৰি আৰম্ভ হৈ গৈছে কাউণ্ট-ডাউন। বিষয়টো অধিকভাৱে চৰ্চিত হৈছে ইণ্টাৰনেটৰ বিভিন্ন ব্লগ আৰু ৱেব ছাইটবোৰত। নিতৌ নতুন নতুন তথ্য আপলোড হৈছে ৱেবছাইটবোৰত। সেই তথ্যবোৰে অধিক উৎকণ্ঠিত কৰি তুলিছে মানুহক। মানুহৰ আকৰ্ষণ-উৎকণ্ঠাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে এটি বিশেষ দিন— ২১ ডিচেম্বৰ, ২০১২। সঁচাকৈয়ে ফলিয়াব নেকি হাজাৰ বছৰীয়া প্ৰাচীন এক সভ্যতাৰ ভৱিষ্যদ্বাণী! বহুতো উত্থান-পতনৰ মাজেৰে তিল্ তিল্‌কৈ গঢ় লৈ উঠা মানৱীয় সভ্যতাই সঁচাকৈয়ে বাৰু অন্তিম শ্বাস ল'ব নেকি সেই বিশেষ দিনটোত। কি ঘটিব সেই দিনটোত যাৰ বাবে বিলুপ্ত হৈ যাব সমগ্ৰ মানৱ সম্প্ৰদায় এই ধৰাৰ পৰাই! সভ্যতা-সংস্কৃতিৰ শীৰ্ষতম শিখৰত উপনীত হোৱা আজিৰ মানৱৰ হাতত নাইনে তাক প্ৰতিহত কৰাৰ কোনো উপায়? এনে অলেখ প্ৰশ্নই এই বছৰটোৰ আৰম্ভণিৰ পৰাই চৰ্চা লাভ কৰি আহিছিল যদিও সেই চৰ্চাই সাম্প্ৰতিক সময়ত প্ৰৱল ৰূপ ধাৰণ কৰিছে, কিয়নো অনাকাংক্ষিত সেই দিন যে সমাগত। কোনো নিশ্চিত নহয় সেয়া কিমান সঁচা বা কিমান ভিত্তিহীন। তথাপি আৰম্ভ হৈ গৈছে কাউণ্ট-ডাউন। পৃথিৱীৰ অন্তিম দিনটোৰ অপেক্ষাত।

# অন্তিম দিনটোৰ শংকাত পৃথিৱী

ভৱিষ্যৎ | জিতুমণি পাঠক

পৃথিৱীৰ অন্তিম দিনটোৰ সংকল্পনা কিদৰে ৰচিত হ'ল সেয়া জানিবলৈ হ'লে আমি উভতি যাব লাগিব বিংশ শতিকাৰ ষাঠিৰ দশকলৈ। এই সংকল্পনাটিৰ সৈতে সংস্পৃক্ত হৈ আছে বিশ্ববিখ্যাত এক প্ৰাচীন মানৱীয় সভ্যতা— মায়া সভ্যতা, যাৰ বিস্তৃতি মেক্সিকোৰপৰা আৰম্ভ কৰি হণ্ডুৰাজ, বেলিজ, গুৱাটেমেলা তথা এল ছালভাড'ৰলৈকে। ষাঠিৰ দশকৰ সময়ছোৱাত মায়া সভ্যতাত প্ৰত্নতাত্ত্বিকসকলে চলোৱা এক অনুসন্ধানত আৱিষ্কৃত হৈছিল এক প্ৰস্তৰ খণ্ড— য'ত খোদিত হৈ ৰৈছিল পৃথিৱীৰ অন্তিম দিনটোৰ এক সংকেত। সেই সংকেত পোনপটীয়া নহয় যদিও পৰোক্ষভাৱে হ'লেও যেন সুদূৰ অতীতৰ মায়া সভ্যতাৰ বাহকসকলে ভৱিষ্যতৰ মানৱসকলক সকীয়াই দিব বিচাৰিছিল তেওঁলোকৰ সমাগত অন্তিম ক্ষণটোৰ কথা। পৃথিৱীৰ, জীৱজগতৰ, মানৱৰ সেই অন্তিম ক্ষণটি হ'ল ২০১২ চনৰ ২১ ডিচেম্বৰ; কিয়নো এই দিনটোতে অন্ত পৰিব হাজাৰ বছৰীয়া প্ৰাচীন মায়া কেলেণ্ডাৰৰ আৰু পৃথিৱীলৈ নামি আহিব স্বয়ং ভগৱান তেওঁৰ সমস্ত সৃষ্টিক ধ্বংস কৰিবলৈ। ১৩০০ বছৰীয়া প্ৰাচীন এক শিলাখণ্ডত থকা এই বাৰ্তা যেতিয়া সমগ্ৰ বিশ্বত বিয়পি পৰিছিল তেতিয়া ইয়াৰ দ্বাৰা অধিকভাৱে শংকিত হৈ পৰিছিল পশ্চিমীয়া দেশৰ লোকসকল। তেওঁলোকৰ দৃষ্টিত গণিত শাস্ত্ৰত অসাধাৰণ ব্যুৎপত্তি থকা মায়াসকল আছিল ভৱিষ্যৎদ্ৰষ্টা তথা অলেখ গুপুত জ্ঞানৰ অধিকাৰী। অংক শাস্ত্ৰত থকা অসাধাৰণ ব্যুৎপত্তিৰে তেওঁলোকে প্ৰস্তুত কৰি উলিয়াইছিল এখন মায়া কেলেণ্ডাৰ, যাৰ আৰম্ভণি ঘটিছিল খ্ৰীষ্টপূৰ্ব




মায়া কেলেণ্ডাৰ

৩,১১৪ বছৰৰ আগেয়ে। মায়া কেলেণ্ডাৰত ৩৯৪ বছৰৰে গঠিত হৈছে এটি যুগ, যাক তেওঁলোকৰ ভাষাত কোৱা হৈছে 'বাকটুনছ'। মায়াসকলে ১৩ সংখ্যাটোক অতি পৱিত্ৰ বুলি গণ্য কৰিছিল আৰু সেয়েহে তেওঁলোকৰ কেলেণ্ডাৰত সময়ক তেৰটি বাকটুনছ বা যুগত ভাগ কৰিছিল। সময়ৰ চকৰিত পৃথিৱী আহি আজি ত্ৰয়োদশ বাকটুনছৰ শেষ পৰ্যায়ত, যাৰ অন্ত হ'ব ২১ ডিচেম্বৰ, ২০১২ত। তাৰ পিছত? সেই সম্পৰ্কে মায়া কেলেণ্ডাৰ একেবাৰে নিমাত। আৰু ইয়াৰ পৰাই আৰম্ভ হ'ল আজিৰ মানৱৰ কল্পনাৰ দৌৰ।

একবিংশ শতিকাৰ আৰম্ভণিৰ লগে লগে পৃথিৱীৰ অন্তিম ক্ষণটোৰ বিষয়ে ইমান বহুলভাৱে চৰ্চা হ'বলৈ ল'লে যে বিশ্বৰ এক গৰিষ্ঠসংখ্যক লোকৰ বাবে ই এক আগ্ৰহৰ কাৰক হৈ পৰিল। সঁচাকৈয়ে যদি এই বিশ্ব সভ্যতা ধ্বংস হৈ যায় ইয়াৰ সম্ভাব্য কাৰণ বাৰু কি হ'ব পাৰে? মানুহৰ এই আগ্ৰহক পুষ্ট কৰিবলৈ এইবাৰ আগবাঢ়ি আহিল ভিন্ন ক্ষেত্ৰৰ ভিন্ন লোক। কোনোবাই যদি আগবঢ়ালে ধৰ্মীয় বিশ্লেষণ, কোনোবাই আগবঢ়ালে দাৰ্শনিক তত্ত্ব, বৈজ্ঞানিক ব্যাখ্যা। বাইবেলিয় পণ্ডিতসকলে বিচাৰি-খুচৰি উলিয়ালে বাইবেলত উল্লিখিত ভগৱান আৰু অশুভ শক্তিৰ মাজত হ'বলগীয়া 'অন্তিম যুদ্ধ'খনৰ কথা, তেওঁলোকৰ গণনাত যাৰ সম্ভাব্য সময় হ'ব পাৰে ২০১২ চন। এই ক্ষেত্ৰত হিন্দু ধৰ্মীয় লোকসকলো পাছ পৰি নাথাকিল। তেওঁলোকে বিভিন্ন যুক্তিৰে প্ৰতিপন্ন কৰিব বিচাৰিলে যে হিন্দুধৰ্মৰ চাৰি যুগৰ শেষৰটো কলি যুগৰ অন্তিম সময় প্ৰায় সমাগত। হয়তো ইয়াৰ অন্ত পৰিব ২০১২ৰ আশে-পাশেই। হিন্দু ধৰ্মীয় শাস্ত্ৰত উল্লেখ আছে যে কলি যুগত ভগৱান বিষ্ণুৱে 'কল্কি' ৰূপ ধাৰণ কৰি সমগ্ৰ সৃষ্টিক কাটি-মাৰি শেষ কৰিব। তাৰ পিছত কি হ'ব সেই সম্পৰ্কে হিন্দু ধৰ্মীয় সেই প্ৰাচীন শাস্ত্ৰসমূহো নিমাত। তাৰ মানে সঁচাকৈয়ে বাৰু পৃথিৱীৰ অন্তিম ক্ষণটো সমাগত নেকি!

ধৰ্মীয় দৃষ্টিকোণৰ পৰা আগবঢ়োৱা এনেধৰণৰ তথ্যই ধৰ্মীয় ভাবাপন্ন লোকসকলক কিছু পৰিমাণে প্ৰভাৱান্বিত কৰিলেও সকলো শ্ৰেণীৰ লোক এনেধৰণৰ ব্যাখ্যাৰে সন্তুষ্ট হ'ব পৰা নাছিল। অসন্তুষ্ট সেই শ্ৰেণীটোৰ সন্তুষ্টিৰ বাবে এইবাৰ সৃষ্টি হ'ল কিছুমান বৈজ্ঞানিক ব্যাখ্যাৰ। তেনেবোৰ বৈজ্ঞানিক ব্যাখ্যাৰ এটা উল্লেখনীয় হ'ল 'নিবুৰা সংঘটন'। এচাম বিজ্ঞানীয়ে আগবঢ়োৱা এই তত্ত্বৰ মতে, পৃথিৱীয়ে তাৰ পৰিক্ৰমাৰ সময়ছোৱাত হঠাতে সন্মুখীন হ'ব কোনো এক অচিনাকি গ্ৰহ বা গ্ৰহসদৃশ অৱয়ৱৰ সৈতে, যাক তেওঁলোকে নামকৰণ কৰিছে- 'প্লেনেট-এক্স (Planet-x)' বা 'নিবুৰা' বুলি। এই প্লেনেট-এক্স বা নিবুৰাই পৃথিৱীৰ কাষেৰে পাৰ হৈ যাবও পাৰে বা পৃথিৱীৰ সৈতে মুখামুখি সংঘৰ্ষও ঘটিব পাৰে। কিন্তু এই দুয়োটাৰ যিটোৱেই নঘটক কিয়, তাৰ ফল হ'ব এটাই, সেয়া হ'ল পৃথিৱীৰ সমস্ত জীৱকুলৰ ধ্বংস। বৈজ্ঞানিকসকলৰ ব্যাখ্যা অনুসৰি সেই অঘটন ঘটাৰ সম্ভাৱনা এই শতিকাৰ একেবাৰে আৰম্ভণি পৰ্যায়ত। পৰোক্ষভাৱে হ'লেও যেন এই ব্যাখ্যাই পুনৰ ২০১২-ৰ অন্তিম দিনটোৰ কথাই ইংগিত কৰিলে। আৰু আন এক বৈজ্ঞানিক ব্যাখ্যাই পৃথিৱী ধ্বংসৰ সম্ভাব্য কাৰক হিচাপে চিহ্নিত কৰিছে সূৰ্যক। সূৰ্যৰ পৰা নিৰন্তৰভাৱে যি উত্তাপ বিকিৰিত হৈ থাকে তাৰ পৰিমাণ সদায়




একে নহয়। এক নিৰ্দিষ্ট সময়ৰ অন্তৰালত ইয়াৰ উত্তাপ হঠাতে ইমান বৃদ্ধি পায় যে ই পৃথিৱীৰ সমস্ত জীৱকুলক নিমিষতে ছাই কৰি পেলাব। তেওঁলোকৰ যুক্তিৰ সমৰ্থনত তেওঁলোকে পৃথিৱীৰ ক্ৰমবৰ্দ্ধিত উত্তাপৰ দিশটোক আঙুলিয়াই দিছে। কিন্তু এই পৰিঘটনাই ২০১২ৰ শেষ পৰ্যায়তে যে পৃথিৱীখনক ধ্বংস কৰি পেলাব পাৰিব, পতিয়ন যাব নোৱাৰি। তদুপৰি পৃথিৱীৰ সাম্প্ৰতিক সময়ৰ যি ক্ৰমবৰ্দ্ধিত উত্তাপ, সেয়া সূৰ্যৰ পৰা বিকিৰিত উত্তাপৰ তাৰতম্যৰ বাবে নহয়, তাত প্ৰভাৱ বিস্তাৰ কৰিছে আন কিছুমান কাৰকেহে। এনেধৰণৰ যুক্তি তত্ত্বৰ মাজতেই ভূ-তত্ত্ববিদসকলে পৃথিৱীৰ বাবে যিকোনো মুহূৰ্তত ভয়াৱহ সংকট কঢ়িয়াই আনিব পৰা এক বৃহৎ আগ্নেয়গিৰিৰ ফালে আঙুলিয়াইছে। সেই আগ্নেয়গিৰি হ'ল আমেৰিকা যুক্তৰাজ্যত অৱস্থিত 'য়েল্ল' ষ্টন' আগ্নেয়গিৰি। 'য়েল্ল' ষ্টন' আগ্নেয়গিৰি হৈছে পৃথিৱীৰ ভিতৰতে আটাইতকৈ বৃহৎ আগ্নেয়গিৰি। ইয়াৰ ওপৰতে অৱস্থিত আমেৰিকাৰ বিখ্যাত য়েল্ল' ষ্ট'ন নেচনেল পাৰ্ক। এই পাৰ্কৰ এটা বৈশিষ্ট্য এই যে সকলো সময়তে এই পাৰ্কৰ পৰিৱেশ উষ্ণ হৈ থাকে। ইয়াৰ কাৰণ হ'ল য়েল্ল' ষ্ট'ন আগ্নেয়গিৰি। ভূ-তত্ত্ববিদসকলে এই বৃহৎ আগ্নেয়গিৰিৰ যি কোনো মুহূৰ্তত উদ্‌গীৰণ হোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে। এই আগ্নেয়গিৰিৰ উদ্‌গীৰণে পৃথিৱীৰ বাতাৱৰণত ইমান পৰিমাণৰ ধোৱা ছাঁই সৃষ্টি কৰিব যে তাক ভেদি পৃথিৱীত সূৰ্যৰ পোহৰ পৰিবলৈ হয়তো প্ৰায় পোন্ধৰশ বছৰমান লাগি যাব। তেনে অৱস্থাত পৃথিৱীৰ জীৱকুলে হয়তো আকৌ এটি তুষাৰ যুগলৈ প্ৰত্যাৱৰ্তন কৰিব লাগিব। এয়েই বাৰু শেষ মুহূৰ্তত হৈ পৰিব পৃথিৱীৰ ধ্বংসৰ কাৰণ!

এনেধৰণৰ অলেখ যুক্তি-তৰ্কৰ মাজত 'নাছা'ৰ বিজ্ঞানীসকলে পৃথিৱীবাসীক তেওঁলোকৰ শেহতীয়া গৱেষণাৰে অভয় প্ৰদান কৰিছে। 'নিবুৰা' জাতীয় সংকল্পনাক তেওঁলোকে কৈছে অদ্ভুত, অকল্পনীয়। তেওঁলোকৰ যুক্তিত সেইবোৰ 'বিজ্ঞান' নহৈ 'অপ-বিজ্ঞান'হে। কাৰণ ২১ ডিচেম্বৰ দিনটো প্ৰায় চোওঁ চোওঁ হওঁ অৱস্থাতো আজিলৈ কোনো জ্যোতিৰ্বিজ্ঞানীৰ দৃষ্টিত ধৰা পৰা নাই তেনে কোনো গ্ৰহ বা গ্ৰহাণুপুঞ্জ— যাৰ সৈতে হ'ব পাৰে পৃথিৱীৰ কোনো সম্ভাব্য সংঘৰ্ষ। আনকি বৰ্তমান সময়তো জীৱিত স্বয়ং মায়া বংশধৰসকলেও আক্ষেপ কৰিছে যে সমগ্ৰ বিশ্বজুৰি তেওঁলোকৰ কেলেণ্ডাৰক লৈ হৈছে অপব্যাখ্যা। ত্ৰয়োদশ যুগটোৰ অন্তই কেতিয়াও অৰ্থ কৰা নাই পৃথিৱী ধ্বংসৰ। বৰং ই আৰম্ভণি ঘটাব গৌৰৱোজ্জ্বল এক অন্য যুগৰ, অন্য মানৱীয় সভ্যতাৰ। তাকে লৈ গুৱাটেমেলা, মেক্সিকো আদিত আৰম্ভ হৈছে বৃহৎ প্ৰস্তুতি, নতুন যুগ এটাক আদৰাৰ। মায়া সভ্যতাৰ বৰ্তমানৰ বংশধৰসকলে মন্ত্ৰোচাৰণৰে, প্ৰাচীন পৰম্পৰাসমূহ পালন কৰি নতুন যুগ এটাক আদৰিবলৈ যি প্ৰস্তুতি আৰম্ভ কৰিছে তাকে লৈ মানুহৰ হঠাৎ আকৰ্ষণ বৃদ্ধি পাইছে। এই সভ্যতাৰ প্ৰাচীন কীৰ্তিচিহ্ন থকা ঠাইসমূহ সেই বিশেষ দিনটোত দৰ্শন কৰিবলৈ ইতিমধ্যে ইয়াৰ ওচৰ-পাজৰৰ আটাইবোৰ হোটেলৰ কোঠা বুক হৈ গৈছে। পৰ্যটকৰ ভিৰ লাহে লাহে বাঢ়ি গৈছে মায়া সভ্যতাৰ কেন্দ্ৰস্থানবোৰত। তথাপি তাৰ মাজতে চলি আছে 'অন্তিম দিনটো'ৰ সপক্ষে-বিপক্ষে যুক্তি-তৰ্কৰ। এই বৰ্ষৰ ২১ ডিচেম্বৰ দিনটোত অন্য কিবা ঘটক বা নঘটক, কিন্তু পৃথিৱী ধ্বংসৰ দৰে সাংঘাতিক কিবা এটা যে ঘটিব সেয়া হয়তো পৃথিৱীবাসীৰ এক অনাৱশ্যকীয় দুঃস্বপ্ন। ■

